অধ্যায় ৭ ঃ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (২)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ মাধৱদেৱ

৮.৩.১ মাধৱদেৱৰ আখ্যানমূলক ৰচনাসম্ভাৰ

৭.৩.২ মাধৱদেৱৰ তত্ত্বমূলক ৰচনাসম্ভাৰ

৭.৩.৩ মাধৱদেৱৰ নাট্যসম্ভাৰ

৭.৩.৪ মাধৱদেৱৰ গীতসমূহ

৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৫ অধিক জানিবলৈ

৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মাধৱদেৱৰ ভক্ত জীৱনৰ বিষয়ে জানিব পাৰিব
- মাধৱদেৱৰ সাহিত্য সম্ভাৰৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- মাধৱদেৱৰ সাহিত্যৰাজিৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ পূর্বৰ অধ্যায়ত আপুনি শঙ্কৰী যুগৰ সাহিত্য, বিশেষকৈ ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ আভাস পোৱাৰ লগতে শঙ্কৱদেৱৰ বিশাল সাহিত্য প্রতিভাৰ বিষয়ে ধাৰণা লাভ কৰিলে। এইটো অধ্যায়ত শঙ্কৰী যুগৰে আন এগৰাকী সাৰস্বত ভক্ত কবি মাধৱদেৱৰ সাহিত্য কৃতিৰ আলোচনা দাঙি ধৰা হ'ব।

৭.৩ মাধৱদেৱ

১৪৮৯ চনত নাৰায়ণপুৰৰ লেতেকুপুখুৰী পাৰত হৰিশিঙা বৰাৰ গৃহত মাধৱদেৱৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম গোবিন্দগিৰী। গোবিন্দগিৰী বগুকাৰ লোক আছিল। তেওঁ দুবাৰ বিয়া কৰাইছিল; প্রথমা পত্নীৰ মৃত্যুৰ পিছত শঙ্কৱদেৱৰ বংশৰে মনোৰমা আইক বিয়া কৰাইছিল। মনোৰমা আইৰ গর্ভতে মাধৱদেৱৰ জন্ম হয়।

মাধৱদেৱ সৰু থাকোঁতে গোবিন্দগিৰীয়ে নানান আহুকালৰ সন্মুখীন হ'ব লগা হৈছিল। মাধৱদেৱৰ বয়স ছমাহমান থাকোঁতে গোবিন্দগিৰীয়ে হৰিশিঙা বৰাৰ ঘৰ ত্যাগ কৰিবলৈ বাধ্য হয় আৰু ছমাহমান বিভিন্ন ঠাইত দুর্ভোগ ভুগি ঘাঘৰ নদীৰ পাৰত গোবিন্দ ওৰফে ঘাঘৰ মাজিৰ ঘৰত থিতাপি লয়। ইয়াতে গোবিন্দগিৰীৰ একমাত্র কন্যা ঊর্বশীৰ জন্ম হয়।

ঘাঘৰ মাজিৰ ঘৰত চৈধ্য বছৰ থকাত পিছত তেওঁ ভৰালী ডুবি বোলা ঠাইলৈ আহে। ইয়াতে ৰামদাসৰ সৈতে ঊর্বশীৰ বিয়া হয়। বিয়াৰ পিছত গোবিন্দগিৰীয়ে মনোৰমা আইক জোঁৱায়েকৰ ঘৰত থৈ মাধৱদেৱক লৈ বঙুকালৈ যায়। বঙুকাত মাধৱদেৱে ৰাজেন্দ্র অধ্যাপকৰ টোলত নাম লগায় আৰু কম বয়সতে সুশিক্ষিত হৈ উঠে। তেওঁ ***কায়স্থিকা বিদ্যা***ও শিকিছিল।

কায়স্থিকা বিদ্যা ঃ কাইথেলী লিপিৰ জ্ঞান আৰু সেই লিপিত লিখা পা�ৰদর্শিতা অর্জন।

বঙুকাত পাঁচ বছৰ থাকোঁতে পিতৃৰ মৃত্যু হোৱাৰ মাধৱদেৱে মাজুলীত থকা মাকৰ ওচৰলৈ আহে। ইয়াতে তেওঁ দেৱী পূজাক লৈ ভনীজোঁৱায়েক ৰামদাসৰ যোগেদি গুৰু শঙ্কৰদেৱৰ (তেতিয়া শঙ্কৰদেৱ ধুৱা হাটত আছিল) সাক্ষাৎ লাভ কৰে। শঙ্কৰদেৱৰ সৈতে তেওঁ প্রবৃতি মার্গৰ সপক্ষে যুক্তিবাদত লিপ্ত হয় আৰু শঙ্কৰদেৱে নিবৃত্তি মার্গেৰে ভক্তিৰ শ্রেষ্ঠত্ব বুজাই দিয়াত তেওঁ শঙ্কৰদেৱৰ ওচৰত শৰণ লয় আৰু একান্ত বৈষ্ণৱ ভক্ত হৈ পৰে।

মাধৱদেৱ নৈষ্ঠিক একশৰণীয়া আছিল। ধর্মাচৰণত ব্যাঘাত হ'ব বুলি তেওঁ বিয়া-বাৰু নকৰালে। দেউতাকে জোৰণ পিন্ধোৱা কইনাকো কৌশলেৰে ত্যাগ কৰিলে। 'গড় মাৰি জুজিলে সজ' এই উপদেশেৰে শঙ্কৰদেৱে নিজেও তেওঁৰ দ্বিতীয়া কন্যা বিষ্ণুপ্রিয়াক মাধৱদেৱলৈ বিয়া দিব বিচাৰিছিল। কিন্তু মাধৱদেৱে কৌশলপূর্ণ উক্তি চাতুর্যেৰে শঙ্কৰদেৱৰ এই বাক্যও প্রত্যাখ্যান কৰি সম্পূর্ণৰূপে উদাসীন হ'ল।

নামধর্ম প্রচাৰৰ ক্ষেত্রত তেওঁ গুৰুজনাৰ সোঁহত স্বৰূপ আছিল। ভক্তি ধর্ম প্রচাৰৰ ক্ষেত্রত তেওঁ নানান আহুকালৰ সন্মুখীন হৈছিল। তেওঁ দুবাৰকৈ গড়গাঁৱত উপস্থিত হ'ব লগা হৈছিল। প্রথমবাৰ শঙ্কৰদেৱৰ লগত গৈ সুকলমে উভতি আহিছিল। দ্বিতীয়বাৰ শঙ্কৰদেৱৰ জোঁৱায়েক হৰিৰ সৈতে তেওঁক গড়গাঁৱলৈ নিয়া হৈছিল। সেইবাৰ ৰজাৰ আদেশক আওহেলা কৰাৰ অপৰাধত হৰি জোঁৱাই কটা গ'ল আৰু মাধৱদেৱক উদাসীন বুলি এৰি দিলে। অৱশ্যে তেওঁ ৰাজধানীত বছৰেক থাকিহে ধুৱাহাটলৈ উভতি আহে।

গড়গাঁৱৰ পৰা মুকলি হৈ আহি তেওঁ গুৰুজনাৰে সৈতে কামৰূপলৈ আহে আৰু বৰপেটাৰ ওচৰৰ কাপলাত উপস্থিত হয়। ইয়াত ছমাহ থাকি তেওঁ বাৰাদিলৈ আহে। বাৰাদিত তিনি বছৰ, কলানিকুছিত ছমাহ আৰু নোৱাকুছিত চাৰি মাহ থকাৰ পিছত তেওঁ গণককুছি পায় আৰু ইয়াত তেওঁ ১৮ বছৰ থাকে।

গণককুছিত থাকোঁতে মাধৱদেৱে শঙ্কৰদেৱৰ দ্বিতীয় তীর্থযাত্রাৰ সঙ্গী হয় আৰু শ্রীক্ষেত্র দর্শন কৰি উভতি আহে। তীর্থৰ পৰা উভতি অহাৰ পিছত শঙ্কৰদেৱ ৰাজৰোষত পৰি বেহাৰৰ নৰনাৰায়ণ ৰজাৰ ওচৰত উপস্থিত হয়। শঙ্কৰদেৱ বেহাৰত থাকোঁতে মাধৱদেৱে শেষবাৰৰ বাবে বঙুকাৰ পৰা এপাক ঘূৰি আহে।

মাধৱদেৱ বণ্ডুকাত থাকোঁতে শঙ্কৰদেৱৰ তিৰোধান হয়। তেতিয়া কালিন্দী আইৰ অনুৰোধত মাধৱদেৱে পাটবাউসীত থাকিবলৈ লয়। ইয়াত কিছুকাল থাকি তেওঁ সুন্দৰীদিয়া পায় আৰু ইয়াত তেওঁ চৈধ্য বছৰ আছিল। ইয়াতো তেওঁ সুখেৰে ধর্ম প্রচাৰ কৰিব পৰা নাছিল। গতিকে তেওঁ সুন্দৰীদিয়া এৰি বৰপেটাত থাকিবলৈ লয়। বৰপেটাতো তেওঁ সুখেৰে থাকিব পৰা নাছিল। ৰঙিয়াল গৃহ সাজি, নটুৱা নাচ নচাই মানুহক বিপথে লৈ গৈছে বুলি শুনি ৰজা ৰঘুদেৱে তেওঁক ৰাজধানী বিজয়নগৰলৈ ধৰাই নিয়ে। অৱশ্যে ৰজাই নিজৰ ভুল বুজিব পাৰি সসন্মানে তেওঁক মুকলি কৰি দিয়ে।

মাধৱদেৱে বিজয়নগৰৰ পৰা আহি হাজোত কিছুদিন থাকি কোচবিহাৰলৈ যায়গৈ আৰু ভেলাত সত্র পাতে। ইয়াতো তেওঁ বিৰুদ্ধবাদীসকলৰ সন্মুখীন হ'ব লগা হয়। কাজী নামৰ বিষয়া এজন এই ক্ষেত্রত উঠি-পৰি লাগিছিল। অৱশ্যে তেওঁ শেষত নিজৰ ভুল বুজি মাধৱদেৱত শৰণ লয়। ৰজা লক্ষ্মীনাৰায়ণেও তেওঁৰ ধর্মমতেই ৰাজ্যত প্রৱর্তিত হ'ব বুলি মাধৱদেৱক আশ্বাস দিয়ে। এইদৰে ভক্তি ধর্ম ৰাজধর্ম হৈ পৰে। ভেলাত থাকোঁতে মাধৱদেৱৰ দেহা পৰি আহিবলৈ ধৰে আৰু ১৫১৮ শকত ভাদ মাহৰ সাতাইশ তাৰিখে পঞ্চানব্বৈ বছৰ বয়সত মাধৱদেৱে ইহলীলা সম্বৰণ কৰে।

গুৰু শঙ্কৰদেৱৰ পদাঙ্ক অনুসৰণ কৰি মাধৱদেৱে সাহিত্য ৰচনাত ব্রতী হয় আৰু ভক্তি ধর্মক আগুৰাই নিয়ে। বিষয়বস্তু আৰু ৰূপ অনুসৰি মাধৱদেৱৰ ৰচনাৱলীক এনেদৰে ভাগ কৰা হৈছে— ১) আখ্যানমূলক, ২) তত্ত্বমূলক, ৩) নাট আৰু ৪) গীত। এই সম্পর্কে তলত আলোচনা কৰা হ'ল।

৭.৩.১ মাধৱদেৱৰ আখ্যানমূলক ৰচনা

মাধৱদেৱৰ আখ্যানমূলক ৰচনা দুখন— *ৰামায়ণৰ আদিকাণ্ড* আৰু *ৰাজসূয় কাব্য*।

ৰামায়ণৰ আদিকাণ্ড ঃ এইখন মাধৱদেৱৰ কাব্য-প্রতিভাৰ অন্যতম শ্রেষ্ঠ নিদর্শন। পূর্বৰ অধ্যায়ত কোৱা হৈছে মাধৱ কন্দলিয়ে বাল্মীকিৰ *ৰামায়ণ* অসমীয়ালৈ অনুবাদ কৰিছিল। কিন্তু কোনো কাৰণত ইয়াৰ *আদি* আৰু *উত্তৰকাণ্ড* উদ্ধাৰ নোহোৱাত শঙ্কৰদেৱে *উত্তৰ* আৰু মাধৱদেৱক *আদিকাণ্ড* অনুবাদ কৰিবলৈ দিয়ে। গুৰুৰ আদেশ শীৰোধার্য কৰি তেওঁ ১৪৯১টা পদত *আদিকাণ্ড* ভাঙনি কৰে। কবিৰ কাব্য প্রতিভা এই অনুবাদত উজলি উঠিছে।

*আদিকাণ্ড*ৰ অনুবাদত কবিয়ে অকল বাল্মীকি *ৰামায়ণ*কে মূল হিচাপে ল'লেও আন উৎসৰ পৰাও উপাদান সংগ্রহ কৰিছে—

"পৰে ৰামচৰণত আনো সৰ কথা যত
সিও ৰামকথাসে নিশ্চয়।
গঙ্গাৰ জলত যত পৰে নদী নানা মত
তাক কোনে তেজিয়া আছয়।।"

সেয়ে মাধৱদেৱৰ ৰামায়ণ কন্দলিৰ *ৰামায়ণৰ* দৰে মূলাশ্রয়ী হোৱা নাই। তেওঁ মনে বিচৰা আৰু মানুহে ভালপোৱা নানান ঘটনা *আদিকাণ্ডত* সংযোগ কৰিছে। সেইদৰে প্রকাশন ৰীতিটো কোনো কোনো ক্ষেত্রত মূল *ৰামায়ণৰ* পৰা আঁতৰি আহিছে। তেওঁৰ *আদিকাণ্ডৰ পদ্মপুৰাণ, ৰঘুবংশ* আৰু *মহানাটকৰ* প্রভাৱ আৰু লক্ষণ দেখা যায়। আনহাতে, বাল্মীকি *ৰামায়ণত* থকা বহুতো ঘটনা তেওঁ সম্পূর্ণ ৰূপে বাদ দিছে আৰু কিছুমান চমু কৰিছে।

নিজস্ব ৰীতি মানি চলি অনুবাদ কৰা *আদিকাণ্ড ৰামায়ণত* মাধৱদেৱে শিশু ৰামৰ বিবিধ ৰূপ আৰু লীলাৰ চিত্র অঙ্কন কৰিছে। কিশোৰ বয়সৰ সর্বগুণী ৰামচন্দ্র এই কাব্যৰ মাজত জিলিকি আছে। ৰামৰ জন্মৰ আগৰে পৰা কাহিনীটো আৰম্ভ কৰা হৈছে আৰু ৰামৰ শৈশৱ আৰু কৈশোৰৰ কাহিনী বেছ দ্রুতভাৱে আগুৱাই নিয়া হৈছে। সীতাৰ স্বয়ম্বৰ আৰু ৰামৰ হৰধনু ভঙ্গৰ পিছত কাহিনী লাহে-ধীৰে আগবাঢ়িছে। ৰাম-সীতাৰ বিয়াৰ ৰীতি-নীতিবোৰ বাল্মীকিৰ বর্ণনাৰ বিপৰীতে অসমীয়া বিয়া এখনৰহে ওচৰ চাপিছে। সেইদৰে পৰশুৰামৰ বর্ণনাত কবিৰ মৌলিকতাৰ স্বাক্ষৰ আছে।

মাধৱদেৱে *ৰামায়ণৰ* ৰাম কাহিনীৰ যোগেদি বিষ্ণু ভক্তি বা একশৰণীয়া আদর্শ প্রচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেয়ে তেওঁ য'তে সুযোগ পাইছে ত'তে ৰামক বিষ্ণুৰ অৱতাৰ বুলি বর্ণনা কৰিছে। মাধৱদেৱে কৈছে যে কংস, পুতনাক বধ কৰোঁতা কৃষ্ণ আৰু বান্দৰৰ লগত সখীত্ব পতা ৰামচন্দ্র— দুয়ো প্রকৃততে একে ব্রহ্মৰ দুটি ৰূপ মাথোন।

ৰাজসূয় কাব্য ঃ এই কাব্যখন *দশম স্কন্ধ ভাগৱতৰ* উত্তৰার্দ্ধৰ আধাৰত লিখা। কাব্যখনত মাধৱদেৱৰ কাব্য প্রতিভাৰ নিদর্শন প্রতিভাত হৈছে। ৭৭৪টা পদত সম্পূর্ণ হোৱা কাব্যখনৰ কাহিনীভাগ যুধিষ্ঠিৰৰ যজ্ঞ সম্পাদনৰ বাবে কৃষ্ণৰ বুদ্ধিত জৰাসন্ধ নিধন, বন্দী ৰজাসকলক মুক্তি প্রদান, শিশুপাল বধ আৰু যধিষ্ঠিৰৰ অভিষেক সম্পাদন— এইকেইটা অধ্যায় সামৰা হৈছে। মাধৱদেৱে কাব্যখনৰ কাহিনীটো সম্পূর্ণ দক্ষতাৰে নিজৰ মতে গঢ়ি-পিতি লৈ নিটোল কৰি তুলিছে। সেই কাৰণে মূলৰ কাহিনীটো কোনো অংশত বঢ়াইছে, কোনো অংশত কমাইছে বা কোনো অংশ বাদ দিছে। উদাহৰণ স্বৰূপে কৃষ্ণৰ ইন্দ্রপ্রস্থ আগমন বা শিশুপালৰ শিশু কালৰ কাহিনী বহুলভাৱে বর্ণনা কৰা হৈছে। আনহাতে, জৰাসন্ধৰ শিশু কালৰ কাহিনী সম্পূর্ণ ৰূপে বাদ দিয়া হৈছে।

কাব্যখনৰ কেন্দ্রবিন্দুত জিলিকি আছে ভগৱান শ্রীকৃষ্ণ। মন কৰিবলগীয়া যে মাধৱদেৱৰ ৰচনাত সাধাৰণতে শিশু কৃষ্ণইহে দীপ্তিমান হৈ থাকে। কেৱল ৰাজসূয় কাব্যতহে পৰিণৰ বয়সৰ কৃষ্ণই নায়ক হৈ আছে। এই কৃষ্ণ এজন দায়িত্বশীল শাসক আৰু অভিজ্ঞ কূটনীতিবিদৰ ৰূপত মাধৱদেৱে অঙ্কন কৰিছে। লগতে কৃষ্ণৰ ভক্ত বৎসল ৰূপৰ ছবি উজলি আছে। কৃষ্ণ কাব্যখনত পূর্ণব্রহ্মৰ মানৱী ৰূপ—

"চিদানন্দ পূর্ণসত্য নিত্য নিৰঞ্জন।
মোহোৰ প্রকাশে প্রকাশয় চৰাচৰ।।
সৃষ্টি স্থিতি প্রলয়ৰো কাৰণ সাক্ষাত।
জীৱৰো বিদ্যা গুচে মোহোৰ সেৱাত।।"

কাব্যখনত মাধৱদেৱৰ বর্ণনাশক্তিৰ নিপুণতা মন কৰিবলগীয়া। কবিয়ে শ্রীকৃষ্ণৰ ৰাজসভা আৰু শ্রীকৃষ্ণৰ ইন্দ্রপ্রস্থ যাত্রাৰ এক বিস্তৃত বর্ণনা দাঙি ধৰা হৈছে। দ্বাৰকাৰ ৰাজসভাৰ নাম ৰখা হৈছে সুধর্মাৰ সভা। মাধৱদেৱে এই সভাখনক এখন সৰোবৰৰ লগত তুলনা কৰিছে। অর্থপূর্ণ আৰু উপযুক্ত অলঙ্কাৰ প্রয়োগৰ যোগেদি বর্ণনা সজীৱ কৰি তোলা হৈছে। শ্রীকৃষ্ণৰ ৰাজসভাৰ দৰে শ্রীকৃষ্ণৰ ইন্দ্রপ্রস্থ যাত্রাৰ ছবিও অতি সজীৱ। ভীম আৰু জৰাসন্ধৰ যুদ্ধৰ বর্ণনাৰ মাজতো এনে সজীৱতা লক্ষ্য কৰা যায়। এই সজীৱ বর্ণনাৰ মাজত নানা উপমাৰ প্রয়োগ লক্ষ্য কৰা যায়।

কাব্যখন বিভিন্ন ছন্দসজ্জাৰে পৰিপূর্ণ। ইয়াত ছবি, দুলড়ি, ঝুমুৰি আদি ছন্দ ব্যৱহাৰ কৰা হৈছে। সেইদৰে কাব্যখনৰ প্রধান ৰস ভক্তি যদিও বীৰ, ৰৌদ্র, হাস্য আৰু শান্ত ৰসো ইয়াত আছে।

কাব্যখনৰ ৰচনাৰীতি অতি প্রাণৱন্ত আৰু স্বাদযুক্ত। কৰবী ডেকা হাজৰিকাই কৈছে— "চিত্রৱৎ বিৱৰণ, অলঙ্কাৰ প্রয়োগৰ শোভাময়তা, বাস্তৱানুগ চৰিত্র অঙ্কন, ৰসৰ সার্থক প্রয়োগ আৰু মহাপুৰুষীয়া আদর্শৰ কলাসুলভ উপস্থাপনেৰে *ৰাজসূয় কাব্য* মহাপুৰুষ মাধৱদেৱৰ অন্যতম শ্রেষ্ঠ সাহিত্য কৃতি।"

৭.৩.২ মাধৱদেৱৰ তত্ত্বমূলক ৰচনা

মাধৱদেৱৰ তত্ত্বমূলক ৰচনাৰ ভিতৰত চাৰিখন গ্রন্থ সামৰা হয়। সেই কেইখনৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

জন্ম ৰহস্য ঃ মাধৱদেৱৰ সাহিত্য জীৱনৰ আদিকালৰ ৰচনা *জন্ম ৰহস্য* এখনি সৰু গ্রন্থ। ইয়াত তিনিশৰো কম পদ আছে। চিলাৰায়ৰ পত্নী ৰাণী ভূৱনেশ্বৰীৰ অনুৰোধত মাধৱদেৱে এই পুথি ৰচনা কৰিছিল।

গ্রন্থখনত সৃষ্টি আৰু প্রণয়ৰ বর্ণনা আছে। আধাতকৈ অধিক ঠাই অধিকাৰ কৰি আছে শ্রীকৃষ্ণৰ পৰম ব্রহ্মত্ব সম্পর্কে উক্তি আৰু ব্যাখ্যাৰে। মাজে মাজে দর্শনৰ জটিল তত্ত্ব সহজ-সৰল ভাষাৰে দিয়াৰ প্রযত্ন আছে।

মাধৱদেৱে নাৰদৰ আগত নাৰায়ণে দিয়া দশাৱতাৰৰ বিস্তৃত বর্ণনা কৰিছে। অৱশ্যে শ্রীকৃষ্ণলীলাৰ বর্ণনা আড়ম্বৰপূর্ণভাৱে দিছে। পুথিখনৰ প্রকাশভঙ্গী অতি স্বচ্ছ। ঠাই বিশেষে মাধৱদেৱৰ ব্যক্তিগত অনুভূতি আৰু অভিজ্ঞতাই ভুমুকি মাৰিছে; আনকি গুৰু ভক্তিৰ নিদর্শনো পোৱা যায়। কবিজনাৰ আন্তৰিকতা আৰু কবিত্ব শক্তিয়ে পুথিখন মনোজ্ঞ কৰি তুলিছে।

নাম-মালিকা ঃ *নাম-মালিকা* বিৰূপাক্ষ কাজিৰ অনুৰোধত মাধৱদেৱে ৰচনা কৰি উলিয়ায়। পুথিখনৰ মূল ৰূপ হ'ল উৰিষ্যাৰ বিদ্যোৎসাহী ৰজা পুৰুষোত্তম গজপতিৰ আজ্ঞাত পণ্ডিতসকলে সংগ্ৰহ কৰা কৃষ্ণনামৰ মাহাত্ম্যসূচক শ্লোকৰ সঙ্কলন *নাম-মালিকা*।

নাম-মালিকাত ৬১খন শাস্ত্ৰৰ বছা বছা শ্লোকৰ ভাঙনি গ্ৰন্থবদ্ধ কৰা হৈছে। *ভাগৱত পু�ৰাণৰ* প্ৰাধান্য ইয়াত দেখা নাযায়। আন এটা বিশেষত্ব হ'ল, মূল গ্ৰন্থত নথকা সত্ত্বেও মাধৱদেৱে *পদ্মপুৰাণৰ স্বৰ্গ খণ্ডৰ নামাপৰাধ* অংশৰ বহল ভাঙনি কৰিছে। পুথিখনত *পুৰাণ, উপপুৰাণ, তন্ত্ৰ, স্মৃতি, সংহতি* আদিৰ উদ্ধৃতি ব্যৱহাৰ কৰা হৈছে। এই উদ্ধৃতিসমূহৰ বক্তব্যৰ স্পষ্টতা আছে, কিন্তু ৰচনাৰ কোমলতা ভৰা সৌন্দৰ্য্য নাই।

ভক্তি ৰত্নাৱলী ঃ অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত *ভক্তি ৰত্নাৱলীও* এখন। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত এই গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰি সকলো লোককে ভক্তিৰ প্ৰতি আকৰ্ষণ কৰাই এই গ্ৰন্থৰ উদ্দেশ্য। ভক্তি আৰু সৎসঙ্গৰ মাহাত্ম্য, ভক্তি বিশেষণ বিৰচন, ন প্ৰকাশৰ ভক্তি বিৰচন আৰু শৰণ বিৰচন — এই তেৰটি বিৰচনেৰে গ্ৰন্থখনিৰ ভক্তিতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

ভক্তি বিৰচনত বিভিন্ন প্ৰকাৰৰ ভক্তিৰ বিষয়ে কোৱা হৈছে। ইয়াত কোৱা হৈছে যে এই ব্ৰহ্মাণ্ডৰ একমাত্ৰ পৰম আৰাধ্য দেৱতা নাৰায়ণ আৰু তেওঁৰ পৰম বিশ্বাসেৰে ভজনা কৰিলে মোক্ষপদ লাভ হয়। যিসকলে মুক্তি সুখ বাঞ্ছা নকৰি অন্য সুখ কামনা কৰে— তেওঁলোকৰো হৰি ভক্তিত অভিলাস পূৰ্ণ হয়।

সৎসঙ্গৰ আৱশ্যকতা আৰু মাহাত্ম্য সম্পৰ্কে সৎসঙ্গ বিৰচনত আলোচনা কৰা হৈছে। ইয়াত কোৱা হৈছে যে সাধু বা সৎসঙ্গ স্বৰ্গতকৈও শ্ৰেষ্ঠ। কাৰণ সৎ ব্যক্তিৰ হৃদয়ত হৰি সদায় থাকে। সন্ত লোকৰ পদৰেণুৰ স্পৰ্শত পাপীও নিৰ্মল হয়। সেই কাৰণে কোৱা হৈছে যে ভকতৰ সঙ্গই উত্তম সঙ্গ।

ভক্তি বিশেষণ বিৰচনত নৱবিধা ভক্তিৰ বিষয়ে কোৱা হৈছে। এই নৱবিধা ভক্তি হৈছে— শ্ৰৱণ, কীৰ্তন, অৰ্চনা, বন্দন, স্মৰণ, পাদসেৱন, দাস্য, সখ্য আৰু আত্ম-নিবেদন। আটাইকেইবিধ ভক্তিৰে লক্ষণ আৰু মাহাত্ম্য এই বিৰচনত ব্যাখ্যা কৰা হৈছে। বিষ্ণু বা কৃষ্ণৰ নাম নিজে শুনাকৈ গোৱা বা আনে উচ্চাৰণ কৰিলে শুনাকে শ্ৰৱণ বোলা হয়। হৰিৰ কথা কৰ্ণৰন্ধ্ৰইদি ভকতৰ হৃদয়ত প্ৰৱেশ কৰি কামনা-বাসনা আদি ধুই নিকা কৰি হৃদয় পৱিত্ৰ কৰে। যিজন ভকত শ্ৰৱণ ৰসিক তেওঁক মৰণলৈ ভয় নকৰে। কাৰণ দেৱতাসকলৰ ভোগ্য বস্তু অমৃততকৈ হৰিৰ কথা শ্ৰৱণ বেছি শ্ৰেষ্ঠ।

নিজ মুখে কৃষ্ণৰ নাম উচ্চাৰণ কৰাই *কীৰ্ত্তন*। *কীৰ্ত্তন* বিৰচনত কোৱা হৈছে—

"সংসাৰত য'ত ধৰ্ম আছে শ্ৰেষ্ঠতৰ।
সমস্ততে কৰি শ্ৰেষ্ঠ কীৰ্ত্তন কৃষ্ণৰ।।"

'অৰ্চন' বিৰচনত কৃষ্ণৰ পূজাৰ বিষয়ে কোৱা হৈছে। কোৱা হৈছে যে কৃষ্ণৰ পূজা কৰিলে সকলোৰে পূজা কৰা হয়। গছ এজোপাৰ গুড়িত পানী দিলে ডালে-পাতেও

বল পোৱাৰ দৰে কৃষ্ণৰ পূজা কৰিলে অন্য দেৱতাসকলো সন্তুষ্ট হয়। 'বন্দন' বিৰচনত বন্দন ভক্তিৰ বিশদ ব্যাখ্যা আগবঢ়োৱা হৈছে। ইয়াত কোৱা হৈছে যে ভগৱন্তৰ চৰণ বন্দনা কৰিলে কৰোঁতাজনৰ পৰম মঙ্গল হয়।

এনেদৰে প্ৰতিবিধ ভক্তিৰ বিষয়ে ভক্তি বিশেষণ বিৰচনত ব্যাখ্যা কৰা হৈছে।

'শৰণ' বিৰচনত একশৰণৰ মাহাত্ম্য বৰ্ণিত হৈছে। বৈষ্ণৱ ধৰ্মত একশৰণহে মূল কথা। এই ধৰ্মৰ মত অনুসৰি 'এক দেৱ এক সেৱ একত বিনে নাই কেৱ'; এই একমাত্ৰজন হৈছে বিষ্ণু বা কৃষ্ণ। যিজনে কায়মনো বাক্যে ঈশ্বৰৰ শৰণ লয়, তেওঁ পৰম পৱিত্ৰ হয়।

ভক্তি ৰত্নাৱলীত ভক্তিৰ দৰে এটা জটিল বিষয়ক মাধৱদেৱে সকলো পাঠক তথা ভকতৰ হৃদয়ঙ্গম কৰি বৰ্ণনা কৰিছে। ভক্তি তত্ত্বমূলক গ্ৰন্থ হিচাপে ই সদায় আদৰণীয়। ***নামঘোষা*** *ঃ নামঘোষা* মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বশ্ৰেষ্ঠ ৰচনা আৰু অসমৰ ভক্তি সাহিত্যৰ অন্যতম উল্লেখযোগ্য গ্ৰন্থ। *চৰিত পুথিত* আছে যে শঙ্কৰদেৱে শেষবাৰৰ বাবে বেহাৰলৈ যোৱাৰ আগতে মাধৱদেৱক কৈছিল—"নাহো মানে আৰু এখানি ঘোষা নামে প্ৰেমভক্তি গ্ৰন্থ কৰিবাঃ আমাৰ পাছত যেন ৰৌৱৰালিৰে আৰু ডনিকা ৰয় জেন কৈ।" সেই আজ্ঞা অনুসৰি শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পিছত সুন্দৰীদিয়াত থকা কালত মাধৱদেৱে *নামঘোষা* ৰচনা কৰে।ইয়াত এহেজাৰ ঘোষা আছে কাৰণে *হেজাৰী ঘোষাও* বোলা হয়।

নামঘোষাৰ এহেজাৰ ঘোষাৰ ভিতৰত প্ৰায় ছশমান শ্লোক অনুবাদমূলক। *ভাগৱত পু�ৰাণ, ভগৱদগীতা, বৃহন্নাৰদীয় পুৰাণ, বিষ্ণু পুৰাণ, বামন পুৰাণ* আদি বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা এইবোৰ চয়ন কৰা হৈছে। কিন্তু এই অনুবাদবোৰ ইমান প্ৰাঞ্জল যে ইয়াক অনুবাদ বুলি সহজে ক'ব নোৱাৰি। তেওঁৰ নিজৰ ৰচনাখিনি ভক্ত হৃদয়ৰ আকুতিৰে পৰিপূৰ্ণ।

নামঘোষা মাধৱপুৰুষৰ প্ৰায় শেষৰ ফালৰ ৰচনা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। সেই কাৰণে বাণীকান্ত কাকতিয়ে *নামঘোষাক* মাধৱদেৱৰ *মহাপ্ৰস্থানিক গীত* বুলি অভিহিত কৰিছে।

শ্ৰৱণ-কীৰ্তনৰ আধাৰত শঙ্কৰদেৱে প্ৰচাৰিত ধৰ্মৰ কাৰ্য-সাধনৰ উদ্দেশ্য 'সুধিবলৈ' *কীৰ্ত্তনঘোষাৰ* দৰে *নামঘোষাও* ৰচনা কৰা হৈছে। সেই কাৰণে পণ্ডিতসকলে কৈছে যে *নামঘোষাৰ* মাজেদিও সত্ৰীয়া সঙ্গীত পদ্ধতিৰ বিশাল ৰূপৰ এটি নাতিক্ষুদ্ৰ সংস্কৰণ প্ৰতিফলিত হৈছে। *নামঘোষাক সাহিত্য পাঠ* (Literary Text)ৰ সমান্তৰালভাৱে এটি সাঙ্গীতিক *পৰিৱেশন পাঠ* (Performing Text) আছে।

নামঘোষাৰ যি পদক্ৰম তাক ৯০টা ছেদত দিয়া হৈছে। এই ছেদসমূহ *নামঘোষাৰ* ছন্দৰ আধাৰত কৰা মূল ভাগকেইটা— ছবি, দুলড়ি, পদ, লেছাৰি, ঘোষাছন্দ, নামছন্দৰ মাজত সোমাই আছে। মাধৱদেৱে প্ৰতিপন্ন কৰিব খোজা সামগ্ৰিক তাত্ত্বিক দিশৰ একো একোটা ৰূপ এই মূল ভাগবোৰত সোমাই আছে। *নামঘোষাৰ* আৰম্ভণিতে মাধৱদেৱে

ভক্তিৰ মহিমাময় ৰূপটোৰ সুন্দৰ বৰ্ণনা দিছে— "মুক্তিতো নিষ্পৃহ যিটো। সেহি ভকতক নমো। ৰসময়ী মাগোহো ভকতি।।" ইয়াৰ পৰৱৰ্তী ছেদসমূহ নাম, দেৱ, গুৰু, ভকত আদিৰ তাত্ত্বিক দিশসমূহ উন্মোচিত কৰিছে।

বাণীকান্ত কাকতিয়ে *নামঘোষা* প্রবন্ধত কৈছে যে *নামঘোষাত* তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দসিন্ধুত মিলিত হৈছে। সেই তিনিটা হৈছে— ১) কৃষ্ণ ভক্তিৰ মাহাত্ম্য, ২) পূণ্য শ্লোক শঙ্কৰ স্মৃতি আৰু ৩) মাধৱদেৱৰ আত্মলঘিমা। এই তিনিওটা ধাৰাৰ মূল উৎস কিন্তু একেটাই; সেয়া হ'ল মাধৱদেৱৰ ৰসময়ী ভক্তিৰ প্রতি গভীৰ আবেগ।

মাধৱদেৱে *নামঘোষাক* বৈষ্ণৱসকলৰ পৰম পূজনীয় ভগৱান কৃষ্ণৰ পৰম-পুৰুষত্বৰ শ্রেষ্ঠত্ব প্রতিপাদন কৰিছে। কৃষ্ণক তেওঁ কাল, মায়া আদিৰ অধিকাৰী, সৃষ্টি, স্থিতি, প্রলয়ৰ কাৰণ ৰূপে প্রতিপন্ন কৰি তেওঁৰ প্রতি অচল ভক্তি প্রদর্শন কৰিছে আৰু কাতৰে প্রার্থনা কৰিছে— "এ ভাই ভজা ভগৱন্ত ভক্তি ভাৱে।।"

মাধৱদেৱৰ প্রায় সমগ্র ৰচনাত আত্মলঘিমাৰ দিশটো প্রকট হৈছে। আত্মলঘিমা তেওঁৰ ব্যক্তিত্বৰ প্রধান অলঙ্কাৰ। *নামঘোষাৰ* মাজত এই আত্মলঘিমাৰ ভাব আৰু বেছি প্রকট হৈ প্রকাশ পাইছে। *নামঘোষা* পঢ়িলে এই আত্মলঘিমা মর্মে মর্মে উপলব্ধি কৰা যায়। *নামঘোষাৰ* মাজত তেওঁ নিজকে 'দীন মাধৱ', 'মুৰুখমতি', 'হীন' আদি বিশেষণেৰে চিনাকি দিছে।

নামঘোষা গুৰু শঙ্কৰদেৱৰ মহাপ্রয়াণৰ পৰৱৰ্তী কালৰ ৰচনা। সেই সময়ছোৱাত মাধৱদেৱৰ সমগ্র হৃদয় শঙ্কৰস্মৃতিয়ে ভৰি আছে। গতিকে *নামঘোষাত* এই শঙ্কৰ স্মৃতিও প্রকাশ পাইছে। সুযোগ পালেই তেওঁ গুৰুশঙ্কৰ প্রশস্তি গাইছে বা শঙ্কৰৰ শ্রেষ্ঠত্ব জগতত প্রচাৰিছে—

"হৰি নাম ৰসে বৈকুণ্ঠ প্রকাশে
প্রেম অমৃতৰ নদী।
শ্রীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বাহে ব্রহ্মাণ্ডক ভেদি।।"

নামঘোষাত অনূদিত অংশ আছে, লগতে মৌলিক ৰচনাও আছে। এই দুয়োবিধ ৰচনাই কবি প্রতিভাৰ গুণত একাকাৰ হৈ গৈছে। *নামঘোষাৰ* শ্লোকবোৰত ছন্দসজ্জা অপূর্ব আৰু সুৰৰ প্রাধান্যও হৃদয়স্পর্শী। ঘোষাশাস্ত্রখনত ব্যৱহাৰ কৰা অলঙ্কাৰসমূহে ভাষাৰ মাধুর্য বঢ়োৱাৰ উপৰিও সাঙ্গীতিক লয়ৰো সৃষ্টি কৰিছে। ভাষাও কেতিয়াবা জটিল, কেতিয়াবা সৰল। তত্ত্বমূলক কথাবোৰ বেছি পৰিমাণে জটিল যদিও দীক্ষিত পাঠকৰ বাবে অতি দুৰূহ নহয়। কিছুমান শ্লোকত ঘৰুৱা কথাও তেওঁ ব্যৱহাৰ কৰিছে। কেতিয়াবা তেওঁৰ ভাষা একেবাৰে সৰল। এইখিনিতে তেওঁ সৰল ভাষাৰ নিদর্শন এটা দাঙি ধৰা হ'ল—

"নিজ দাস কৰি হৰি মোকে কিনা কিনা।
আন ধন নলাগয় নাম ধন বিনা।।"

'কিনা কিনা' এই সৰল উক্তিত আত্মনিবেদনৰ হেঁপাহ জিলিকি আছে। শঙ্কৰদেৱে প্রতিষ্ঠা কৰা উদাৰতা মাধৱদেৱৰ *নামঘোষা*তো প্রকাশ পাইছে । ভক্ত হিচাপে মাধৱদেৱে অকল নিজৰ মুক্তিকে বিচৰা নাই, সমগ্র অসমৰ মানুহৰ উদ্‌গতি কামনা কৰিছে—

"হৰি নাম নুহিকে নিয়ম অধিকাৰী।
ৰাম বুলি তৰে মিলি অসম কছাৰী।।"

সকলো স্তৰকে, আনকি জনজাতিসকলকো একেত্রে লৈহে ভক্তি আন্দোলন সংগঠিত হৈছে— এই পদফাঁকিয়ে তাৰে স্বাক্ষৰ বহন কৰিছে। এনে উদাৰতাই *নামঘোষা*ৰ নান্দনিক ৰূপক মানৰীয় তাৎপর্যৰে মহিয়ান কৰিছে।

মুঠতে *নামঘোষা* অসমৰ বৈষ্ণৱ ধর্মৰে নহয়, বিশ্ব সাহিত্যৰে এখনি মহৎ গ্রন্থ।

৭.৩.৩ মাধৱদেৱৰ নাটসমূহ

মাধৱদেৱৰ সর্বমুঠ নখন নাট বা ঝুমুৰা পোৱা যায়, যদিও সন্দেহমুক্ত নাট ছখন। এইকেইখন হ'ল— ক) *অর্জুন ভঞ্জন*, খ) *চোৰ ধৰা*, গ) *পিম্পৰা গুচোৱা*, ঘ) *ভূমি লেটোৱা*, ঙ) *ভোজন বেহাৰ* আৰু চ) *ভূষণ হৰণ*।

*অর্জুন ভঞ্জন*খনৰ বাহিৰে মাধৱদেৱৰ বাকীকেইখন নাটক ঝুমুৰা বোলা হয়। ঝুমুৰাসমূহৰ ৰচনাৰীতি শঙ্কৰদেৱৰ নাটসমূহৰ লগত নিমিলে। আনকি সেই সময়ত প্রচলিত কোনো লোকনাটৰ লগতো ইয়াৰ মিল নাই। ঝুমুৰাসমূহ মাধৱদেৱৰ মৌলিক প্রতিভাৰ পৰিচায়ক। অৱশ্যে ঝুমুৰা বুলিলেও 'নাট' বা 'যাত্রা' আখ্যাৰেও এইবোৰক বুজোৱা হয়।

মাধৱদেৱৰ ঝুমুৰাসমূহত পূর্ণদৈর্ঘ্যৰ কাহিনী নাথাকে; কেৱল ঘৰুৱা কাহিনীৰে ক্ষুদ্র এখনি ছবিহে থাকে। এনে একোখনি ছবিত কাহিনীৰ বিকাশ নাথাকে বা উপ-কাহিনীও নাথাকে। ইবোৰত পঞ্চসন্ধিও অনুপস্থিত। তেওঁ কৃষ্ণকর্ণামৃত আৰু কিছু পৰিমাণে *ভাগৱত*ৰ আখ্যানৰ ভিত্তিত ঝুমুৰাসমূহ ৰচনা কৰিছে। ইবোৰত ভটিমাৰ ভূমিকা কম। কেৱল *ভোজন বেহাৰ*খনত এটা ভটিমা আছে। ঝুমুৰাসমূহত মাধৱদেৱৰ স্বৰচিত শ্লোকো পোৱা নাযায়। নাটৰ মাজত থকা শ্লোককেইটা বিল্বমঙ্গলৰ স্তুতি নাইবা *ভাগৱত পুৰাণ*ৰ পৰা উদ্ধৃত কৰা হৈছে। কিন্তু কৃষ্ণক প্রধান চৰিত্র হিচাপে অঙ্কন কৰা ঝুমুৰাসমূহ নাৰী চৰিত্রপ্রধান আৰু হাস্য আৰু বাৎসল্য ৰস প্রধান।

মাধৱদেৱৰ ঝুমুৰাসমূহৰ সৈতে বিল্বমঙ্গলৰ নামটো সাঙোৰ খাই আছে। বিল্বমঙ্গলৰ *কৃষ্ণকর্ণামৃত* গ্রন্থৰ শ্লোকৰ প্রভাৱ ঝুমুৰাবোৰত লক্ষ্য কৰা যায়। *অর্জুন ভঞ্জন* নাটখনিৰ কাহিনীত *ভাগৱত পুৰাণ*ৰ *দশম স্কন্ধ* আৰু *হৰিবংশ*ৰ তেষষ্ঠিতম অধ্যায়ৰ

কাহিনীৰ লগতে *কৃষ্ণকর্ণামৃত* গ্ৰন্থৰ শ্লোকো মিশ্ৰিত কৰা হৈছে। *চোৰ ধৰা* ঝুমুৰাখনিৰ মূল হ'ল বিল্বমঙ্গলৰ এই শ্লোকটি—

"কুণ্ডক্রীড়া রিগলিত ঘনস্বেদ মুগ্ধাননশ্রীঃ
ক্বশ্চিৎ দৃষ্টা কুবলয়দলশ্যামলঃ কোপি ৱালা
পৃচ্ছন্তোৱৈৰ পথি পথি যযউ ব্যাকুলা নন্দপত্নী
তীৰে তীৰে তপন দুহিতা কৃষ্ণমন্বেষয়তী।"

ইয়াৰ লগতে লৰণু চুৰিৰ কাহিনীটো মিশ্ৰণ কৰি ঝুমুৰাখন ৰচনা কৰিছে।

কৃষ্ণকর্ণামৃতৰ 'পিপিলিকাপনয়ম' শব্দৰ পৰা *পিম্পৰা গুচোৱা* নামটো লৈ মূলৰ বিশ আৰু একত্ৰিশ নং শ্লোকৰ আধাৰত ঝুমুৰাখনৰ কাহিনী গঠন কৰা হৈছে। আনকি ঝুমুৰাখনিৰ প্ৰথমতে দিয়া গীতটোও বিল্বমঙ্গলৰ শ্লোকৰ সৰল অনুবাদ।

ভূমি লেটোৱা ঝুমুৰাখনো বিল্বমঙ্গলৰ স্তোত্ৰৰ আধাৰত ৰচনা কৰা হৈছে। অৱশ্যে *ভোজন বেহাৰখন ভাগৱতৰ নৱম স্কন্ধৰ* পৰা লোৱা কাহিনীৰ আধাৰত ৰচনা কৰা হৈছে।

ঝুমুৰাকেইখনৰ প্ৰধান বিষয়বস্তু হ'ল শিশু কৃষ্ণৰ দুষ্টালি, চৌর্য্য-চাতুৰি আৰু যশোদাৰ মাতৃ হৃদয়ৰ আকুলতা। ক্ষণিকৰ একো একোটা ঘটনাই শিশু কৃষ্ণ চৰিত্ৰৰ মোহনীয়তা আৰু মানৱীয় ৰূপ অতি সুন্দৰভাৱে প্ৰকাশ কৰিছে। অৱশ্যে মাধৱদেৱে ইয়াৰ মাজেৰেও কৃষ্ণৰ ঈশ্বৰত্ব সম্পৰ্কে দৰ্শক-পাঠকক সোঁৱৰাবলৈ পাহৰা নাই। হাস্যৰস আৰু ভক্তিৰস ঝুমুৰাবোৰৰ প্ৰধান ৰস হিচাপে ধৰা দিছে। অধিক নৃত্য-গীত প্ৰধান ঝুমুৰা কেইখনৰ ভাষা ব্ৰজাৱলী যদিও ই কথিত অসমীয়াৰ অধিক ওচৰ চপা।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ওপৰত উল্লিখিত নাট বা ঝুমুৰাকেইখনৰ বাহিৰেও মাধৱদেৱৰ নামত *ব্ৰহ্মা মোহন, ৰাস-ঝুমুৰা* আৰু *কোটোৱা খেলোৱা* আদি তিনিখন নাটো সামৰা হয়। ইয়াৰে প্ৰথম দুখনৰ আখ্যানভাগ *ভাগৱত পুৰাণৰ* আধাৰত গঢ় হৈছে; কিন্তু তৃতীয়খনৰ উৎস সম্পৰ্কে একো জনা নাযায়। তিনিওখন ঝুমুৰাতে সংলাপ ক্ষীণ; নৃত্য-গীত প্ৰধান।

৭.৩.৪ মাধৱদেৱৰ গীতসমূহ

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ অক্ষয় কৃতি হ'ল গীতসমূহ। তেওঁ বৰগীত আৰু ভটিমা —এই দুই শ্ৰেণীৰ গীত ৰচনা কৰিছে। মাধৱদেৱৰ গীতসমূহ অসমীয়া ভক্তিমূলক সাহিত্য আৰু ধৰ্মীয় জগতৰ অমৰ সৃষ্টি। অসমীয়া গীতি-সাহিত্যৰ ইতিহাসক যদি এখনি ফুলনিৰ লগত তুলনা কৰা যায়, তেন্তে মাধৱদেৱৰ বৰগীতসমূহ সেই ফুলনিৰ চিৰকাল উদ্ভাসি থকা একোপাহি সজীৱ ফুল, যাৰ সৌৰভে মানুহক অনন্তকাল মোহিত কৰি ৰাখিব।

গুৰুচৰিত কথাৰ ভাষ্যানুসৰি মাধৱদেৱ গুৰু শঙ্কৰদেৱৰ আজ্ঞাত বৰগীত ৰচনাত হাত দিয়ে আৰু ১৫৭টা বৰগীত ৰচনা কৰে। অৱশ্যে মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যাক লৈ পণ্ডিতসকলৰ মাজত মতদ্বৈধতা। কাৰণ প্ৰকাশিত বৰগীতৰ পুথিৰ কোনোখনত মাধৱদেৱৰ বৰগীত ১৮১, কোনোখনত ১৮৩, কোনোখনত ১৫৭, কোনোখনত ১৫৫টা বুলি উল্লেখ আছে। ইয়াৰ উপৰি মাধৱদেৱৰ ভণিতা থকা ভালেমান ভক্তিমূলক গীত জনমানসত চলি আহিছে।

মাধৱদেৱৰ বৰগীতসমূহৰ ৰচনাৰ কাল আৰু স্থান সম্পৰ্কে স্পষ্টকৈ জনা নাযায়। *চৰিত পুথিয়ে* জনাইছে যে মাধৱদেৱে বিভিন্ন স্থানত, বিভিন্ন সময়ত, বিভিন্ন প্ৰসঙ্গৰ বৰগীতসমূহ ৰচনা কৰিছিল। তেওঁৰ কবিত্বশক্তি আৰু কল্পনাশক্তি অতি প্ৰখৰ আছিল। সেই কাৰণে তেওঁ যি কোনো পৰিস্থিতিত, যি কোনো সময়ত যি কোনো বিষয়ৰ একোটা গীত ৰচনা কৰিব পাৰিছিল। *চৰিত পুথিত* এনে অনেক মনোৰম কাহিনীৰ উল্লেখ আছে।

মাধৱদেৱৰ বৰগীতসমূহক ৰস আৰু বিষয়বস্তু অনুসৰি ছটা ভাগত ভাগ কৰা হৈছে— বিৰহ, বিৰক্তি, চোৰ, চাতুৰি, লীলা আৰু পৰমাৰ্থ। সত্ৰৰ নানা সন্ত-মহন্তৰ মতে মাধৱদেৱৰ বৰগীতসমূহ চতুৰ্ধাৰা বিশিষ্ট— উত্থান, জাগন, খেলান আৰু নৃত্য। অৱশ্যে এই চতুৰ্ধাৰা তেওঁৰ শিশু কৃষ্ণ বিষয়ক বৰগীতখিনিৰ ক্ষেত্ৰতহে প্ৰযোজ্য। বিভিন্ন আলোচনাৰ অন্তত সমালোচকসকলে বৰগীতত বৰ্ণিত বিষয়বস্তুলৈ লক্ষ্য কৰি মাধৱদেৱৰ বৰগীতসমূহক বহলভাৱে স্তুতি বা প্ৰাৰ্থনামূলক, উপদেশমূলক আৰু অৱতাৰী কৃষ্ণৰ লীলা বিষয়ক আদি তিনিটা ভাগত ভাগ কৰিছে।

মাধৱদেৱৰ প্ৰাৰ্থনাসূচক বৰগীতৰ সংখ্যা ২৫টামান। "মানৱ জীৱন দুষ্প্ৰাপ্য, অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়। মৰীচিকা সদৃশ এই জগতো অসাৰ আৰু অনিত্য। হৰি ভক্তি মোহাচ্ছন্ন জীৱ তথা সংসাৰ সমুদ্ৰত ধ্ৰুৱতৰা স্বৰূপ।" —এই কথা বা ভাব প্ৰাৰ্থনাসূচক বৰগীতসমূহৰ মাজেদি প্ৰকাশ পাইছে। এই বৰগীতৰ মাজত মাধৱদেৱৰ দাস্য ভক্তিৰ পৰাকাষ্ঠা লক্ষ্য কৰা যায়। তেওঁ নিজকে মূৰুখমতি, মতিনাশ্বা, মতিহীন, হৰিদাসকুদাস, মাধৱ দাস, দীন আদি বিশেষণেৰে পৰিচয় দি ভক্তসুলভ দীনতা প্ৰকাশ কৰিছে।

মাধৱদেৱৰ উপদেশপ্ৰধান বৰগীত ৩০টামান হ'ব। প্ৰতিটো গীততে মাধৱদেৱে "মানুহৰ চঞ্চল মনক উদ্দেশ্য কৰি বিষয় বাসনাৰ দোষবোৰ আঙুলিয়াই দি সিবোৰৰ মোহ পাশৰ পৰা মুক্ত হোৱাৰ একমাত্ৰ উপায় স্বৰূপ হৰি ভক্তি সম্পৰ্কীয় তত্ত্ব জ্ঞানৰ উপদেশ আবেগময়ী ভাষাত দাঙি ধৰিছে।" তেনে এটা গীতৰ উদাহৰণ হ'ল "কিৰিলি কৰ আলো মনাই।" গীতটোত কোৱা হৈছে যে বানপানী, খৰাং আদিয়ে খেতি নষ্ট কৰিব পাৰে; কিন্তু হৰি ভক্তি ৰূপী খেতিক একোৱে অনিষ্ট কৰিব নোৱাৰে। গতিকে সংসাৰ-পথাৰত হৰি ভকতিৰ গুটি সিঁচি তাৰ পৰা অবিনাশী ফল মুকুতি লাভ কৰিব পাৰি বুলি গীতটিত উপদেশ দিয়া হৈছে।

উপদেশমূলক গীতবোৰতো ৰাম-কৃষ্ণ আৰু বিষ্ণুক অভিন্ন ৰূপত উপস্থাপন কৰা হৈছে। গীতবোৰৰ মাজত অনবৰতে অনুৰণিত হৈছে দেহ বিচাৰৰ গীতৰ প্রতিধ্বনি। গীতবোৰৰ মাজেৰে মানৱ দেহ আৰু পার্থিৱ বিষয়-বাসনা-অনিত্যতা প্রতিপন্ন কৰা হৈছে আৰু সিবোৰৰ পৰা উদ্ধাৰ পোৱাৰ উপায় একমাত্র হৰিভক্তি বুলি সোঁৱৰাই দি ইয়াত ৰতি দিবলৈ সবিনয় অনুৰোধ জনাইছে।

শ্রীকৃষ্ণৰ লীলা বিষয়ক বৰগীতৰ সংখ্যা এশৰো অধিক। এই গীতখিনিৰ মাজেৰে অলৌকিক শ্রীকৃষ্ণৰ শৈশৱ আৰু কৈশোৰৰ অপূর্ব লীলাৰ প্রকাশ কৰা হৈছে। বিষয়বস্তুলৈ লক্ষ্য কৰি এই গীতখিনিক এনেদৰে ভাগ কৰা হৈছে— কৃষ্ণৰ কেঁচুৱা ৰূপ আৰু স্তন পান, চোৰ-চাতুৰি, বন্ধন, উত্থান বা জাগন, চালন, ভোজন, প্রত্যাৱর্তন, খেলন, ভূষণ হৰণ, কৃষ্ণৰ ৰূপ মাধুৰী, গোপী বিৰহ, দৌলাৰোহণ, ফাকুখেল আৰু ভগৱানৰ বিপৰীত লীলা প্রকাশক গীত। শ্রীকৃষ্ণৰ বাঁহীৰ সুৰক লৈও তেওঁ দুই-এটা গীত ৰচনা কৰিছে। "এই সমস্ত গীতত অৱতাৰী কৃষ্ণৰ দুমুখীয়া ব্যক্তিত্ব, —ঈশ্বৰত্ব আৰু মানৱত্ব —অতি সুসংহত ৰূপত প্রকাশ পাইছে। শ্রীকৃষ্ণৰ শৈশৱ আৰু কৈশোৰৰ হাঁহি-কান্দোনেৰে সমুজ্জ্বল এই গীতবোৰত চিৰকুমাৰ মাধৱদেৱে মাতৃ যশোদা আৰু পুত্র কৃষ্ণৰ চিৰন্তন আবেগ-অনুভূতি, মমতা নিজৰ মাজত উপলব্ধি কৰিছিল। ...এই গীতবোৰ উত্তৰ ভাৰতৰ ভক্ত কবি সুৰদাসৰ গোকুল আৰু বৃন্দাবন লীলাৰ শিশু কৃষ্ণ বিষয়ক গীতবোৰলৈ মনত পেলাই দিয়ে।" এইখিনি গীতৰ মাজেৰে মাধৱদেৱে শিশুৰ মনস্তত্ত্ব সুন্দৰভাৱে প্রতিভাত কৰিছে।

মাধৱদেৱৰ বৰগীতসমূহৰ মূল ৰস দুটা— দাস্য ৰস আৰু বাৎসল্য ৰস। বাৎসল্য ৰসৰ মাজে মাজে হাস্য, কৰুণ, বীৰ আদি ৰসেও ভুমুকি মাৰিছে। ভাষাৰ ক্ষেত্রতো দেখা যায় যে মাধৱদেৱে ব্রজাৱলী ভাষাতে গীতবোৰ ৰচনা কৰিলেও ই কথিত অসমীয়াৰ বেছি ওচৰ চপা। দুই-এটা গীতত পুৰণি অসমীয়া ভাষাও ব্যৱহাৰ কৰা হৈছে। বৰগীতবোৰ ৰাগ প্রধান, কিন্তু ইবোৰত তালৰ উল্লেখ নাই। বৰগীতবোৰত কবিজনাই অনুপ্রাস, ৰূপক, উপমা, বিৰোধ, স্বভাৱোক্তি আদি বিবিধ কাব্যালঙ্কাৰৰো প্রয়োগ সার্থকভাৱে কৰিছে। মুঠতে বৰগীতবোৰ মাধৱদেৱৰ অতুলনীয় কবি প্রতিভাৰ অপূর্ব চানেকি। এইবোৰে মাধৱদেৱৰ সাক্ষৰ-নিৰক্ষৰ সকলোৰে মাজত চিৰকাল জনপ্রিয় কৰি ৰাখিব।

বৰগীতৰ লগতে মাধৱদেৱে ভটিমাও ৰচনা কৰিছে। অৱশ্যে মাধৱদেৱৰ দ্বাৰা ৰচিত ভটিমাৰ সংখ্যা কম। *ভোজন বেহাৰ* নাটৰ বাহিৰে আন নাটত তেওঁ ভটিমা আৰোপ কৰি দিয়া নাই। তেওঁ ৰাজভটিমা লিখা নাই; কিন্তু গুৰুভটিমা ৰচনা কৰি নতুন এক শ্রেণীৰ ভটিমা সৃষ্টি কৰি গৈছে।

মাধৱদেৱৰ গুৰুভটিমাটি এক স্বয়ংসম্পূর্ণ গুৰু বন্দনা; তেওঁৰ গুৰু শঙ্কৰদেৱলৈ নিবেদন কৰা পৰম অমূল্য ভক্তি-অর্ঘ্য; য'ত তেওঁ লিখিছে—

"জয়গুৰু শঙ্কৰ সর্বগুণাকৰ
যাকেৰি নাহিকে উপাম।

তোহাৰি চৰণত ৰেণু শতকোটি
বাৰেক কৰোঁহো প্ৰণাম।।"

মাধৱদেৱে আনকি শঙ্কৰদেৱক কৃষ্ণৰ অৱতাৰ বুলিও উল্লেখ কৰিছে—

"চাৰিবেদ শিৰোমণি মাজে
যাকেৰি চৰণ বিকাশ
সোহি দেৱ কলিক কালে
শঙ্কৰদেৱৰ পৰকাশ।।"

গুৰু ভটিমাটি অপূৰ্ব কাব্যিক সুষমাৰে মহিমামণ্ডিত। অসংখ্য কাব্যিক উপমাৰে ভটিমাটি ৰচিত। এজন একান্ত শিষ্যৰ গুৰুৰ প্ৰতি থকা সেৱা, ভক্তি আৰু গুণ-কীৰ্তন ভটিমাটিৰ প্ৰতিটো স্তৱকত উজলি আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মাধৱদেৱৰ চমু জীৱন পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

প্ৰশ্ন নং ২ ঃ মাধৱদেৱৰ আখ্যানমূলক ৰচনাসমূহৰ আধাৰ কি? (১৫০টা শব্দৰ ভিতৰত লিখক।)

প্ৰশ্ন নং ৩ ঃ মাধৱদেৱৰ তত্ত্বমূলক ৰচনাসমূহৰ মাজেদি কি ভাব ফুটি উঠিছে? (১৫০টা শব্দৰ ভিতৰত লিখক।)

প্ৰশ্ন নং ৪ ঃ মাধৱদেৱৰ গীতসমূহক কিদৰে শ্ৰেণী বিভাগ কৰিব পাৰি? (১৫০টা শব্দৰ ভিতৰত লিখক।)



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মাধৱদেৱৰ সাহিত্য সম্ভাৰৰ সৈতে বিস্তৃত ৰূপত পৰিচিত হ'ল।
- মাধৱদেৱৰ ভক্ত হৃদয়ৰ আকুলতা সম্পৰ্কে জ্ঞাত হ'ল।
- ভক্তি ধৰ্ম প্ৰসাৰৰ ক্ষেত্ৰত মাধৱদেৱৰ সাহিত্যই কিদৰে অৰিহণা আগবঢ়াইছিল, সেই বিষয়ে জানিলে।



৭.৫ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
২) চলিহা, ভৱপ্ৰসাদ (সম্পা.) (১৯৮৯); *মাধৱদেৱৰ সাহিত্য*; মিৰ্জা ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; উত্তৰ গুৱাহাটী ঃ আবিলেক।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোঃ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যায়ন*; গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোঃ।


৭.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱদেৱৰ পিতৃ-মাতৃৰ পৰিচয়... ...ল'ৰালি কাল... ...যৌৱন... ...তেওঁৰ ধৰ্মীয় জীৱন।

২নং প্ৰশ্নৰ উত্তৰ ঃ আখ্যানমূলক ৰচনাৰ নাম... ...তাৰ বিষয়বস্তু... ...কোন কোন পৌৰাণিক গ্ৰন্থৰ পৰা আহৰণ কৰা হৈছে তাৰ লেখ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ তত্ত্বমূলক ৰচনাসমূহ... ...ভক্তিধাৰা... ...ৰস ইত্যাদি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱদেৱৰ গীতসমূহৰ শ্ৰেণীবিভাজন... ...প্ৰতিবিধ গীতৰ গুৰুত্ব আৰু তাৎপৰ্য বিচাৰ।



৭.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শঙ্কৰী সাহিত্যৰ ইতিহাসত মাধৱদেৱৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন ২ ঃ মাধৱদেৱৰ সংঘাতবহুল জীৱন গাঁথাৰ বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ কি ঘটনাই মাধৱদেৱক শঙ্কৰদেৱৰ লগত পৰিচয় কৰাই দিছিল? সেই ঘটনাৰ পৰিণতি কি?

প্ৰশ্ন ৪ ঃ মাধৱদেৱৰ আখ্যান কাব্যসমূহৰ সৌন্দৰ্য্য বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ *ভক্তি ৰত্নাৱলী*ৰ মাজেদি মাধৱদেৱৰ কি মনোভাব ব্যক্ত হৈছে?

প্ৰশ্ন ৬ ঃ মাধৱদেৱৰ নাট, ঝুমুৰাৰ মাজেদি আমি শ্ৰীকৃষ্ণৰ কোনটো ৰূপৰ লগত পৰিচিত হওঁ?

প্ৰশ্ন ৭ ঃ *নামঘোষা*ৰ মাজেদি ভক্ত কবি মাধৱদেৱৰ প্ৰতিভাৰ স্ফুৰণ হৈছেনে? বিশ্লেষণ কৰক।

*** ***** ***